# ৰং

প্ৰথম সংখ্যা
২০২৩ বৰ্ষ

অসমীয়া বিভাগ
বি.এইচ্. মহাবিদ্যালয়, হাউলী



উৎসৱ-অনুষ্ঠানবোৰেই এটা জাতিৰ জাতীয় জীৱনৰ মূল চালিকা শক্তি। জীৱন যুদ্ধত বিধ্বস্ত জনসাধাৰণে এইবোৰৰ মাজতেই বিচাৰি পায় আনন্দৰ বিমল খোৰাক। অনাদি কালৰে পৰা অসম নৃত্য-গীতেৰে মুখৰিত ৰাজ্য হোৱা বাবে উৎসৱ-অনুষ্ঠানবোৰো ইয়াত অধিক সজীৱ, অধিক আকৰ্ষণীয়। অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি হোৱা বাবে উৎসৱ-অনুষ্ঠানৰ অধিক আধিক্য দেখিবলৈ পোৱা যায়। সমাজতাত্ত্বিক দৃষ্টিভংগীৰে অধ্যয়ন কৰিলে এইবোৰৰ মাজত বিচাৰি পোৱা যায় জাতি এটাৰ মনস্তত্ত্ব, সমাজ-বুৰঞ্জীৰ অলেখ অলিখিত তথ্য। অসমৰ বিভিন্ন জাতি-উপজাতিৰ সহাৱস্থানৰ এক উজ্জ্বল নিদৰ্শন হৈছে বসন্তকালীন উৎসৱসমূহ। ফাগুনৰ আগমনৰ লগে লগে বসন্তকালীন উৎসৱৰো শুভআৰম্ভণি ঘটে।

# অসমৰ বসন্তকালীন লোক-উৎসৱঃ

## এক চমু আলোকপাত

**কৰিস্মা বৈশ্য,**
অংশকালীন অধ্যাপিকা, অসমীয়া বিভাগ

অসমৰ লোক উৎসৱসমূহৰ ভিতৰত বসন্তকালীন লোকউৎসৱসমূহ অতি জাকজমকতাপূৰ্ণ। এই উৎসৱসমূহ ঘাইকৈ কৃষিভিত্তিক উৎসৱ। উৎসৱসমূহ প্ৰধানকৈ খেতিৰ আৰম্ভণিত, খেতিৰ বৃদ্ধিৰ সময়ত আৰু খেতি চপোৱাৰ শেষত -এই তিনি ধৰণে গঞা ৰাইজৰ সহযোগত পালন কৰা হয়। উৎসৱসমূহ পালন কৰাৰ মূলতে ধৰালৈ অহা নতুনত্বৰ জোঁৱাৰ-যি জোঁৱাৰে চহা মনত সানি দিয়ে ৰং-ৰহইচৰ বতৰা। গছৰ ডালত কুলিৰ বিননিয়ে আনি দিয়ে বসন্তৰ বতৰা। গছ-লতিকাই গজালি মেলে। কুঁহিপাতে, নানাৰঙী ফুলে ধৰালৈ আনি দিয়ে সৌন্দৰ্যৰ এক বিচিত্ৰ মেলা।

অসমত পালন কৰা প্ৰতিটো বসন্তকালীন উৎসৱ ঘাইকৈ উৰ্বৰা বিশ্বাসৰ লগত জড়িত। প্ৰকৃতি আৰু মানুহ- উভয়েই প্ৰজনন শক্তি লাভ কৰি নতুন সৃষ্টিৰে প্ৰাণ পাই উঠক-এয়ে জনজীৱনৰ কামনা। প্ৰতিটো উৎসৱতে সৃষ্টিৰ কামনা কৰি নানা নীতি-নিয়ম পালন কৰা হয়। অসমৰ পাহাৰে-ভৈয়ামে পালন কৰা এনে বসন্তকালীন উৎসৱৰ

ভিতৰত বিহু, ৰাভাসকলৰ ’ বায়খো’, মিচিংসকলৰ ’আলি-আই-লৃগাং ’, হাজংসকলৰ ’বাঁশ পূজা’, কামৰূপৰ ’ভঠেলি’, বড়োসকলৰ ’বৈশাগু’, তিৱাৰ ’ছাগ্ৰা-মিছাৱা’, ডিমাচাসকলৰ ’বুছু’ বা ’বিষু’, চাহ জনগোষ্ঠীসকলৰ ’চড়ক পূজা’, গাৰোসকলৰ ’আগালমাকো আচিৰোকা’ ইত্যাদি। এই উৎসৱসমূহে গঞা ৰাইজক একতাৰ এনাজৰীৰে বান্ধি ৰাখে। জাতি-জনগোষ্ঠী ভিন্ন হ’লেও বা পালনীয় নীতি-নিয়ম বেলেগ বেলেগ হ’লেও সকলোৰে উদ্দেশ্য কিন্তু কৃষিভূমি শক্তিশালী কৰা। প্ৰতিটো উৎসৱতে নৃত্য-গীতৰ প্ৰয়োভৰ আছে। নৃত্য-গীতৰ প্ৰয়োভৰে হাঁহি-তামচাৰ সৃষ্টি কৰাৰ লগতে ৰাইজৰ মনত থকা নানা অসূয়া-অশান্তি দূৰ কৰি শান্তিৰ মিলনভূমি নিৰ্মাণত অৰিহণা যোগায়। সেয়ে বসন্তকালীন এই উৎসৱসমূহৰ বিশেষ তাৎপৰ্য আছে।

# মিচিং জনগোষ্ঠীৰ আলি-আঃয়ে-লৃগাং উৎসৱ

বনজিৎ শৰ্মা,
সহকাৰী অধ্যাপক,অসমীয়া বিভাগ

আলি-আঃয়ে-লৃগাং অসমৰ মিচিং জনজাতিৰ এক বসন্তকালীন উৎসৱ। প্ৰতি বছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰটোত এই উৎসৱ পালন কৰা হয়। এই উৎসৱক শষ্য বা কঠীয়া সিঁচাৰ আৰম্ভণি উৎসৱ বুলিও কোৱা হয়। প্ৰথম অৱস্থাত ফাগুন, চ'ত বা ব'হাগ মাহৰ কোনো এটা দিনত এই উৎসৱ পালন কৰিছিল যদিও ১৯৫৬ চনৰ পৰা ফাগুন মাহৰ প্ৰথম বুধবাৰটোত ইয়াক পালন কৰা হৈ আহিছে। মিচিং ভাষাত 'আলি' মানে শষ্যৰ বীজ, আঃয়ে মানে ফল আৰু 'লৃগাং' মানে সিঁচা বুজায়। উৎসৱৰ দিনা ভাত, বৰা চাউল আৰু ছাই মদ আগবঢ়াই 'দঞিপল'[ চন্দ্ৰ-সূৰ্য] -ৰ নাম লৈ স্তুতি গীত আওৰায়। এই গীত পূৰ্বপুৰুষৰ মৃত আত্মাক সন্তুষ্ট কৰাৰ কামনাৰে গোৱা হয়। লগতে শষ্যক্ষেত্ৰৰ উৎপাদন যাতে ভাল হয় আৰু পৰিয়ালৰ সকলোৰে যাতে কুশল-মংগল হয়, তাৰে কামনা কৰি এই প্ৰাৰ্থনা গোৱা হয়। সেইদিনা বৰা চাউলৰ 'পুৰাং' কৌপাতত বান্ধি সিজোৱা ভাত,মাছ, গাহৰিৰ মাংস, আপং আদিৰে ভোজন পৰ্ব কৰা হয়।

আলি-আঃয়ে লৃগাং উৎসৱত নৃত্য কৰাৰ পৰম্পৰা আছে। এই নৃত্যক গুমৰাগ নৃত্য বোলা হয়। বৃত্তাকাৰে ঘূৰি ঘূৰি নচা এই নৃত্যৰ ভংগীয়ে ঋতু পৰিৱৰ্তন আৰু জীৱন-চক্ৰৰ পৰিৱৰ্তনক প্ৰতিফলিত কৰে। লোক-বিশ্বাস অনুসৰি এই নাচ নানাচিলে শষ্য ঠন ধৰি নুঠে। পোক-পৰুৱায়ো শষ্যৰ ক্ষতিসাধন কৰে। ডেকা-গাভৰুসকলে নিশা বিহু পাতে আৰু তাতে 'ঐনিতম' বা বিহুগীত গায়। তেওঁলোকে নৃত্য-গীতৰ মাজেৰে লখিমীক সন্মান প্ৰদৰ্শন কৰে। এই উৎসৱৰ মাজেৰে সমাজত ঐক্য আৰু সম্প্ৰীতিৰ বান্ধোন দৃঢ় কৰাৰ বাবে প্ৰয়াস কৰা হয়।

# বসন্তকালীন উৎসৱ হোলী

প্ৰিয়ংকা বৰা
স্নাতকোত্তৰ চতুৰ্থ ষাম্মাসিক

ফাগুন বা চ'ত মাহৰ পূৰ্ণিমা তিথিত হিন্দু ধৰ্মাৱলম্বী লোকসকলে পালন কৰা ৰঙৰ উৎসৱেই হোলী। এই হোলী উৎসৱ ভাৰতৰ বিভিন্ন জাতি-সম্প্ৰদায়ৰ লোকসকলে ভিন্ন নামেৰে পালন কৰে। হোলীক ফাকুৱা,দৌলোৎসৱ, দেউল,ফাঁকু, ফল্গু উৎসৱ, মদনোৎসৱ, বসন্ত উৎসৱ, হোলিকা দহন আদি বিভিন্ন নামেৰে জনা যায়। হোলী উৎসৱ প্ৰাচীন মদন পূজাৰ এক আনুষংগিক উৎসৱ। হিন্দুসকলৰ আৰাধ্যা দেৱতা শ্ৰীকৃষ্ণ বা বিষ্ণুক উদ্দেশ্য কৰি এই হোলী উৎসৱ পালন কৰা হয়। ধৰ্মীয় বা লৌকিক পৰম্পৰাৰে পালন কৰা হোলী উৎসৱৰ সৃষ্টিৰ সৈতে বহুতো পৌৰাণিক আখ্যান জড়িত হৈ আছে।

অসমৰ হোলী উৎসৱৰো এক নিজস্ব ইতিহাস আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ২১ বছৰ বয়সত বৰদোৱাত দৌল উৎসৱৰ শুভাৰম্ভ কৰি ৰাইজক হৰিভক্তি ৰসত আপ্লুত কৰি তুলিছিল। বৈকুণ্ঠৰ দৌল উৎসৱৰ আদৰ্শৰে আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰ্হিৰে অসমৰ থান-সত্ৰসমূহত এই উৎসৱ পালন কৰা হয়। অসমৰ সত্ৰসমূহত পালন কৰা দৌল উৎসৱৰ ভিতৰত বৰপেটা সত্ৰৰ দৌল উৎসৱেই অধিক আকৰ্ষণীয়। ভক্তিৰস আৰু লোক-পৰম্পৰাৰ অপূৰ্ব সমন্বয়ৰ নিদৰ্শন হ'ল বৰপেটাৰ দৌল উৎসৱ। বৰপেটা সত্ৰৰ প্ৰথমজনা সত্ৰাধিকাৰ মথুৰা দাস বুঢ়া আতাই ১৫১৮ শকত এই দৌল উৎসৱৰ পাতনি মেলিছিল। বৰপেটাৰ স্থানীয় ভাষাত এই উৎসৱটো দেউল হিচাপে পৰিচিত। ফাগুন মাহৰ পূৰ্ণিমা তিথিত দৌল হ'লে চাৰিদিনীয়া বা পাঁচদিনীয়াকৈ আৰু চ'ত মাহৰ পূৰ্ণিমা তিথিত দৌল হ'লে তিনিদিনীয়াকৈ পালন কৰা হয়। চাৰিদিনীয়া বা পাঁচদিনীয়া দৌলক ডেকা দৌল আৰু তিনিদিনীয়া দৌলক বুঢ়া দৌল বোলা হয়। প্ৰথম দিনটোক গোন্ধ যাত্ৰা, দ্বিতীয় দিনটোক ভৰ দেউল আৰু তাৰ পিচৰ দিনটোক সুৱেঁৰী বোলা হয়।

হোলী গীত বৰপেটাৰ দৌল উৎসৱৰ লগত ওতঃপ্ৰোতভাৱে সাঙোৰ খাই আছে। এই হোলী গীতে অসমৰ সংগীত জগতখনক প্ৰাচুৰ্যময় কৰি ৰাখিছে। বিভিন্ন সাহিত্যিক অলংকাৰ আৰু প্ৰকৃতিৰ মনোৰম বৰ্ণনাৰে এই হোলী গীতবোৰ পৰিপূৰ্ণ-

ৰঙত নাচি উঠিল আজি বৃন্দাৱন
এই নৱ বসন্তৰ পৰশত.....
ৰঙৰে জুই লাগিল আজি পলাশৰ ডালতে
ফাগুনৰে বা লাগি নিকুঞ্জ বনতে.....

# নামনি অসমৰ বসন্তকালীন লোক-উৎসৱ 'ভঠেলি'

শতাব্দী শৰ্মা
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক

ভঠ্লি বা ভঠেলি নামনি অসমৰ কামৰূপ, নলবাৰী,বৰপেটা আদি জিলাত বিশেষভাৱে প্ৰচলিত এটি লোক-উৎসৱ। ব'হাগ মাহৰ কোনো এটি দিনত ভঠেলি উৎসৱ পালন কৰা হয়। ঠাই বিশেষে উৎসৱটোৰ বেলেগ বেলেগ নাম প্ৰচলিত। দৰঙত দ'ল বা দেউলা, দক্ষিণ কামৰূপত সৰি বা সুৱেৰি, বৰপেটা-বজালী আদিত ভঠ্লি নামেৰে পৰিচিত। ভঠেলি উৎসৱৰ দিনা গাঁওৰ ডেকাবোৰে দোকমোকালিতে গা-পা ধুই বাঁহ কাটিব যায়। দুডাল বাঁহ কাটি আনি সুন্দৰকৈ চাঁচি-চিকুণাই লৈ ৰঙীন কাপোৰ পিন্ধাই দিয়া হয়। এই বাঁহ দুডালক পাৰ বোলে। অৰ্থাৎ দৰা আৰু কইনা পাৰ। যিখন গাঁৱত ভঠেলি পতা হয়, তেওঁলোকৰ বাঁহডালক দৰা পাৰবোলা হয়। কইনা পাৰ ওচৰৰ গাঁৱৰ লোকে আনে। দৰা পাৰ ওখ আৰু কইনা পাৰ চাপৰ হয়। পাৰৰ গুৰিৰ ফালে জামা পিন্ধোৱা হয় আৰু দুলি থকাকৈ মাজে মাজে সমান সমান জোখৰ ৰঙীন কাপোৰ বান্ধি দিয়া হয়। ইয়াক দ্বাৰকা বোলে। সজাই-পৰাই লৈ বাঁহডালক এক নিৰ্দিষ্ট ঠাইত থিয়কৈ পোতা হয়। বাঁহ বা পাৰৰ ওচৰতে কলপাতেৰে এটা ঘৰ সজোৱা হয়। ঘৰটোৰ ভিতৰত এখন আসন পাতে আৰু তাতে টকা-পইচা, মাহ-প্ৰসাদ, নৈবেদ্য আদি আগবঢ়ায়। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৱে এই উৎসৱত অংশগ্ৰহণ কৰিব পাৰে। অসমৰ ৰাভা-বড়ো আদি জনজাতিৰ মাজতো ভঠেলি উৎসৱৰ প্ৰচলন আছে। দক্ষিণ কামৰূপৰ ৰাভাসকলৰ 'পাৰ নাচ' বা ভঠেলিৰ এটি গীত তলত দাঙি ধৰা হ'ল-

অ' হায় হায় মাকলা ঐ
মাকৌ লীলায়
তিন্টি মালী মাকাৰা জালি
দিলুং উব্ধুৰায়
অ' হায় হায় মাকলা ঐ
মাকৌ লীলায়
কাউৰ কান্দ কালা-লাক্
বাঁহৰ ওপৰত ঐ
ফুল তুলা মেখেলি।

অসমীয়া সমাজ জীৱনত বাঁহ ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। অতীজত সেই হেতুকে ভঠেলি উৎসৱেও জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল। বৰ্তমান এই উৎসৱৰ আদৰ কমি গৈছে।
উৎসৱৰ শেষৰ দিনা অনুষ্ঠিত হোৱা বাঁহ ভঙা দৌল উৎসৱৰ এক আকৰ্ষণীয় দিশ। শেষৰ দিনটোত চহৰখন গোলাপী ৰঙেৰে ৰঙীন হৈ পৰে। কলীয়া গোঁসাইক কলবাৰী সত্ৰলৈ হেকেটা খুৱাবলৈ নিয়া শোভাযাত্ৰাত বৰপেটাৰ ৰাইজে উচ্ছ-নীচ, ধনী-দুখীয়াৰ পাৰ্থক্য পাহৰি মহা-মিলনৰ এক আত্মিক বান্ধোনেৰে সাঙোৰ খাই পৰে।

# গোসাঁই বাঁহ ফুৰোৱা উৎসৱ

ড০ প্ৰশান্ত ৰাভা,
সহকাৰী অধ্যাপক,অসমীয়া বিভাগ

নামনি অসমৰ এটা অন্যতম বসন্তকালীন উৎসৱ হ'ল গোসাঁই বাঁহ ফুৰোৱা উৎসৱ। ওডালগুৰি আৰু বৰ্তমান বাক্সা জিলাৰ প্ৰায় সকলো অঞ্চলতে এই উৎসৱ পালন কৰা হয়। অসমীয়া নতুন বছৰ অৰ্থাৎ ব'হাগ মাহৰ পহিলা সপ্তাহত পালন কৰা হয়। চ'ত-ব'হাগৰ সংক্ৰান্তিৰ দিনা গোসাঁই বাঁহ সজাই তোলা হয়। এই গোঁসাই বাঁহডালৰ নাম থাকে গোপাল অথবা জগন্নাথ। গাঁৱৰ থান বা নামঘৰত গোপাল গোসাঁই বাঁহ বা জগন্নাথ গোসাঁই বাঁহক ৰখা হয়। কোনো কোনো থানত এডাল গোসাঁই বাঁহো থকা দেখা যায়। বাঁহডালক চোৰৰ, নতুন ৰুমাল আদিৰে সজাই তোলা হয় আৰু পহিলা ব'হাগৰ পৰা মানুহৰ ঘৰে ঘৰে গোসাঁই বাঁহ ফুৰোৱা হয়। গোসাঁই বাঁহ ফুৰোৱাত পুৰুষসকলে আগভাগ লয়। গাঁৱৰ ঘৰে ঘৰে মানুহৰ অপায়-অমংগল দূৰ হোৱাৰ কামনাৰে ভক্তিমূলক গীতেৰে মুখৰিত কৰি গৃহস্থক আশীৰ্বাদ দি ফুৰে। এই গোসাঁই বাঁহ ফুৰোৱা কৰ্মত কাৰোবাৰ ঘৰত যদি চোৰৰ, ৰুমাল আদি বাঁহ গোসাঁইডালৰ পৰা সৰি পৰে সেইঘৰৰ গৃহস্থই পৰৱৰ্তী সময়ত চোৰৰ, ৰুমাল আদি থানত দান কৰিবলগীয়া হয়। এই গোসাঁই বাঁহ ফুৰোৱা প্ৰথাত বহুতো ভক্তি তথা ধৰ্মীয় পৰম্পৰা জড়িত হৈ থাকে। সেয়েহে ই মূলতঃ ধৰ্মীয় লোক উৎসৱৰ অন্তৰ্গত। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল ই কোনো জাতি বা জনজাতিৰ স্বকীয় পৰম্পৰা নহয়। এই অঞ্চলত বাস কৰা সকলো জাতি-জনজাতিয়ে এই লোকউৎসৱৰ সৈতে জড়িত।

# বিভাগৰ অধ্যাপক অধ্যাপিকাসকলে প্ৰকাশ কৰা গ্ৰন্থঃ

## ড° ৰেণু হাজৰিকাঃ সম্পাদিত গ্ৰন্থ

বৰপেটা জিলাৰ সমাজ আৰু নাৰী
প্ৰজ্ঞাৰ সাধক ড° বাণীকান্ত কাকতি

## ঊষা দাসঃ মৌলিক আৰু সম্পাদিত গ্ৰন্থ

মৌলিক গ্ৰন্থঃ বেজবৰুৱাৰ জীৱন সাধনা আৰু কিছু অনুষংগ
**বিহু** আৰু **বিহুনাম**
বৰপেটা জিলাৰ প্ৰৱচনত নাৰী মনস্তত্ত্ব
সাহিত্য সুবাস
প্ৰবন্ধ কৰণি

সম্পাদিত গ্ৰন্থঃ **বৰপেটা জিলাৰ সমাজ আৰু নাৰী**
বৰপেইটা শব্দকোষ

## ড° হেমন্ত ডেকাঃ মৌলিক গ্ৰন্থ

তেজ-তেজীমলা
প্ৰাপ্তি-অপ্ৰাপ্তিৰ গাঁথা
এথুপি প্ৰেমৰ কবিতা
প্ৰবন্ধ সংকলন
আধুনিক অসমীয়া কবিতাত লোক সাহিত্যৰ প্ৰসংগ
অসমীয়া ব্যাকৰণ আৰু সংস্কৃতি
কবিতাৰ ৰূপসুধা
সাহিত্য-সংস্কৃতি বীক্ষণ

## ড০ হেমন্ত ডেকাঃ (সম্পাদিত গ্ৰন্থ)

প্ৰবন্ধ বিবিধা
বালিত এখোজ [গল্প সংকলন]
প্ৰতিভা ভাস্বৰ দীননাথ পাঠক
ভুৰুকাত মহাভাৰত
অভিলাষঃ স্মৃতিৰ জলঙাৰে
তুলনামূলক সাহিত্যত ৰাষ্ট্ৰীয় সংহতি আৰু চেতনা
উত্তৰ পূৰ্বাঞ্চলৰ সংস্কৃতিঃ আভাস আৰু আলোচনা
ফুলকুমাৰী কলিতাৰ ৰচনা সম্ভাৰ
লোক-কৃষ্টিৰ ধাত্ৰীঃ ফুলকুমাৰী কলিতা
মানৱতাবাদ [অনুবাদ]

## বনজিৎ শৰ্মাঃ (সম্পাদিত গ্ৰন্থ)

প্ৰবন্ধ বিবিধা
তুলনামূলক সাহিত্যত ৰাষ্ট্ৰীয় সংহতি আৰু চেতনা
উত্তৰ পূৰ্বাঞ্চলৰ সংস্কৃতিঃ আভাস আৰু আলোচনা
প্ৰজ্ঞাৰ সাধক ড০ বাণীকান্ত কাকতি

## ড০ প্ৰশান্ত ৰাভাঃ

তামুলপুৰ অঞ্চলৰ লোক-সাহিত্য
নতুন শতিকা নতুন কবিতা

## ২০২১, ২০২২, ২০২৩ বৰ্ষত অসমীয়া বিভাগে অনুষ্ঠিত কৰা বিভিন্ন অনুষ্ঠানসমূহঃ

১৮-০৭-২০২১ ইং তাৰিখে বি এইচ্ কলেজৰ অসমীয়া বিভাগ আৰু সাপতগ্ৰাম মহাবিদ্যালয়ৰ সহযোগত এখন অনলাইন চেমিনাৰ সফলতাৰে অনুষ্ঠিত হৈ যায়। অনুষ্ঠানটোৰ সমন্বয়ক আছিল ড° হেমন্ত ডেকা।



০৮-৬-২০২২ ইং তাৰিখে বি এইচ্ কলেজৰ অসমীয়া বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক **বিদায়-সম্বৰ্দ্ধনা** জনোৱা হয়।





১১-৬-২০২২ ইং তাৰিখে বি এইচ্ কলেজৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভাগীয় আলোচনা-চক্ৰ অনুষ্ঠিত হয়। অলোচনা চক্ৰৰ সঞ্চালক আছিল ড০ হেমন্ত ডেকা।



২৬-০৮-২০২২ ইং তাৰিখে বি এইচ কলেজৰ অসমীয়া বিভাগৰ সৌজন্যত এখনি আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আলোচনা-চক্ৰৰ বিষয় আছিল 'সৃজনীমূলক সাহিত্য ভিন্ন মাত্ৰা, ভিন্ন চিন্তা'। সমল ব্যক্তি হিচাপে যোগদান কৰে বৰপেটা ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ বিৰিঞ্চি কুমাৰ দাসে।



২২-১০-২০২২ ইং তাৰিখে বি এইচ কলেজৰ অসমীয়া বিভাগৰ স্নাতক প্ৰথম ষান্মাসিক আৰু স্নাতকোত্তৰ প্ৰথম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে নৱাগত আদৰণী সভা অনুষ্ঠিত হয়।



১৭-২-২০২৩ ইং তাৰিখে অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত এখনি প্ৰাচীৰ পত্ৰিকা উন্মোচিত হয়। উন্মোচন কৰে স্নাতকোত্তৰ শ্ৰেণীৰ সমন্বয়ক উষা দাসে।






০১-৩-২০২৩ ইং তাৰিখে অসমীয়া বিভাগৰ উদ্যোগত বড়ো ভাষাৰ ওপৰত বিশেষ বক্তৃতাৰ আয়োজন কৰা হয়। সমল ব্যক্তি হিচাপে উপস্থিত থাকে বড়ো বিভাগৰ মুৰব্বী ড০ দীপালি খেৰকটাৰীয়ে।







০৪-৩-২০২৩ ইং তাৰিখে অসমীয়া বিভাগৰ সৌজন্যত এখনি আলোচনা চক্ৰ অনুষ্ঠিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ লিপি বিশেষজ্ঞ ধনজিৎ তালুকদাৰে সমল ব্যক্তি হিচাপে ভাষণ দিয়ে।






# বিভিন্ন ক্ষেত্ৰত সফলতা লাভ কৰা বিভাগৰ অধ্যাপক-অধ্যাপিকা

- প্ৰাক্তন অধ্যাপিকা প্ৰয়াত **ফুলকুমাৰী কলিতা** লোক-সংস্কৃতিৰ গৱেষক হিচাপে গোটেই অসমতে সুপৰিচিত। ২০০৯ চনত প্ৰতিমা বৰুৱা পাণ্ডে বঁটাৰে তেওঁ সন্মানিত হয়।

- **ড০ হেমন্ত ডেকাই** ২০০৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা 'আধুনিক অসমীয়া কবিতাত লোক-সাহিত্যৰ উপাদান' শীৰ্ষক বিষয়ত পি.এইচ্.ডি. ডিগ্ৰী লাভ কৰাৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগত গৱেষণা গুৰু হিচাপেও কাম কৰি আছে।

- **ড০ ৰেণু হাজৰিকাই** ২০১৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা 'চন্দ্ৰপ্ৰসাদ শইকীয়াৰ জীৱন আৰু কৃতি' শীৰ্ষক বিষয়ত পি.এইচ্.ডি. ডিগ্ৰী লাভ কৰে।

- **ড০ প্ৰশান্ত ৰাভাই** গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা এম. ফিল ডিগ্ৰী লাভ কৰাৰ উপৰিও ২০২২ চনত 'মেঘালয়ৰ পটভূমিত ৰচিত অসমীয়া উপন্যাস -এটি বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক বিষয়ত পি.এইচ্.ডি. ডিগ্ৰী লাভ কৰে।

## বিভিন্ন ক্ষেত্ৰত সফলতা লাভ কৰা বিভাগৰ ছাত্ৰ-ছাত্ৰী

- অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ **হৃষীকেশ গোস্বামীয়ে** অসম শিশু-সাহিত্য ন্যাসৰ সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰি থকাৰ উপৰিও সৰ্বানন্দ সোণোৱাল মন্ত্ৰীসভাৰ মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা হিচাপে কৰ্মৰত আছিল। বি. এইচ্. কলেজৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপেও তেওঁ গুৰুত্বপূৰ্ণ সেৱা আগবঢ়ায়।
- **ড° ভগীৰথ নাথে** কলগাছিয়াৰ নৱজ্যোতি কলেজৰ উপাধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰে।
- **ঘনকান্ত দাসে** গৌৰীপুৰৰ প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰে।
- **প্ৰয়াত ড° ভূপেন দাসে** এজন সফল স্কুল পৰিদৰ্শক হিচাপে সফলতা অৰ্জন কৰিছে।
- **প্ৰতাপ দাস** এজন প্ৰতিষ্ঠিত ব্যৱসায়ী আৰু কবি।
- **হিতেশ দাসে** বৰপেটা ৰোড সাহিত্য সভাৰ সভাপতি হিচাপে অসমীয়া সাহিত্য জগতলৈ নিষ্ঠাৰে সেৱা আগবঢ়াইছে।
- **কুমাৰ মীন দাস** এজন প্ৰতিষ্ঠিত কবি আৰু সাংবাদিক।
- প্ৰাক্তন ছাত্ৰ **মনহৰি বায়ন** এজন প্ৰতিষ্ঠিত কবি আৰু লেখক।
- প্ৰাক্তন ছাত্ৰ **ধ্ৰুৱ কুমাৰ তালুকদাৰ** প্ৰতিষ্ঠিত কবি আৰু লেখক হোৱাৰ উপৰিও এজন সুদক্ষ চিত্ৰশিল্পী।
- **ৰিংকু দাস** ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম অৰ্জন কৰা বাঁহীবাদক।
- **মিজানুৰ ৰহমান, কাবেৰী দাস, আলমীনা পাৰবীন, নিভা দাস, বন্দিতা কলিতা, নীলিমা সৰকাৰ, বিজয়েতা দাস, লিকুমণি পাঠক, বিজয় ৰবি দাস**কে ধৰি বহু ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল আৰু উচ্ছতৰ মাধ্যমিক স্কুলত শিক্ষকতা কৰি আছে।
- **টুটুমণি দাসে** NET পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ উপৰিও অসম বিশ্ববিদ্যালয়ত গৱেষণা কৰি আছে।
- **নিলোফাৰ ইয়াচমিন আহমেদে** গুৱাহাটী বিশ্ববিদ্যালয়ত গৱেষণাৰত হৈ আছে।
- **তৃষ্ণামণি দাসে** SLET উত্তীৰ্ণ হৈ বি. এইচ্. কলেজত অংশকালীন প্ৰবক্তা হিচাপে কাম কৰি আছে।
- **ফৰিদা খানমে** SLET লাভ কৰে।
- **আচমিনা খাতুনে** JRF লাভ কৰে।

# ৰং




**সম্পাদনা সমিতি**

উপদেষ্টাঃ **ড০ ভূষণ চন্দ্ৰ পাঠক**

তত্ত্বাৱধায়কঃ **বনজিৎ শৰ্মা**

সম্পাদকঃ **ধৃতিস্মিতা বায়ন**

অক্ষৰ বিন্যাসঃ **ঊষা দাস**

কৃতজ্ঞতাঃ **বিকাশ গোস্বামী**